**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ডাব'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চত আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁটে ভাৰতে সুলভ মূল্যত সৌৰ শক্তি যোগান ধৰি লাভ কৰা সফলতাৰ বিষয়ে আলোকপাত কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে বেংগালুৰু-কাডাপা-বিজয়ৱাড়া ইক'নমিক কৰিডৰৰ অবিৰত বিটুমিনাছ কংক্ৰিত পকীকৰণৰ বাবে গিনিজ বিশ্ব অভিলেখ গঢ়া ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক অভিনন্দন জনাইছে।

৩। সমগ্ৰ দেশৰ স্থানীয় শিল্প নৈপুণ্যক উদগনি যোগোৱাত ভাৰতীয় ৰে'ল বিভাগৰ **এটা ষ্টেচন-এবিধ সামগ্ৰী** আঁচনি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

৪। কামাখ্যা, গুৱাহাটী আৰু হাওৰাৰ মাজত প্ৰথমবাৰৰ বাবে বন্দে ভাৰত শ্লিপাৰ ৰে'লৰ বাণিজ্যিক চলাচল আৰম্ভ হোৱাৰ পাছতে যাত্ৰীৰ পৰা বিপুল সঁহাৰি লাভ কৰিছে। ***আৰু***

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি নাগপুৰত অনুষ্ঠিত হ'ব।

ooooo

ডাব'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চত আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট- আই এছ এই, কৃষককে ধৰি লাখ লাখ পৰিয়াললৈ ভাৰতে সুলভ মূল্যত সৌৰ শক্তি যোগান ধৰি লাভ কৰা সফলতাৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ভাষণ দি আই এছ এ-ৰ সঞ্চালক প্ৰধান আশীষ খান্নাই ভাৰতৰ সূৰ্যঘৰ, ৰুফটপ সৌৰ আঁচনিৰ জৰিয়তে এক কোটি পৰিয়ালক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী কুসুম কাৰ্যসূচীৰ জৰিয়তে কৃষকসকললৈ সৌৰ শক্তিচালিত পানীযোগানৰ লগতে অন্যান্য সা-সঁজুলিৰ যোগান ধৰা বুলিও জানিবলৈ দিয়ে। বিশ্বৰ আন আন দেশকো বিদ্যুতৰ ব্যৱহাৰৰ পৰিৱৰ্তে সৌৰ শক্তিৰ ব্যৱহাৰেৰে কৃষি খণ্ডক সুলভ মূল্যত শক্তিশালী কৰি তোলাৰ এই আৰ্হি গ্ৰহণ কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীখান্নাই কয়, যে আই এছ এই, কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে ব্যয় হ্ৰাস, নতুন কৰ্ম সংস্থাপন সৃষ্টি আৰু দক্ষতা বৃদ্ধি কৰি শক্তি খণ্ডৰ ভৱিষ্যতৰ দিশটোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। যোৱা ১৯ৰ পৰা ২৩ জানুৱাৰীলৈ ডাব'ছত ৫৬ সংখ্যক বাৰ্ষিক বিশ্ব অৰ্থনৈতিক মঞ্চৰ বৈঠক অনুষ্ঠিত হৈছে। ১৩০ খন দেশৰ প্ৰায় ৩ হাজাৰ প্ৰতিনিধিয়ে ইয়াত অংশগ্ৰহণ কৰিছে।

ooooo

কেন্দ্ৰীয় পথ, পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ৬ লেনযুক্ত বেংগালুৰু-কাদাপা-বিজয়াৱাড়া ইক'নমিক কৰিড'ৰৰ পেকেজ-২ আৰু পেকেজ-৩ৰ মাজেৰে অবিৰতভাৱে বিটুমিনাছ কংক্ৰিট পকীকৰণৰ বাবে ৪টাকৈ গিনিজ বিশ্ব অভিলেখ স্থাপন কৰাৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষক অভিনন্দন জনাইছে।

উন্নত প্ৰযুক্তি আৰু গুণগত মানদণ্ডৰদ্বাৰা সম্ভৱ হোৱা এই কৃতিত্বই দেশৰ বৰ্ধিত অভিযান্ত্ৰিক উৎকৰ্ষতা আৰু ৰূপায়ণ বা সম্পাদন ক্ষমতাক প্ৰতিফলিত কৰা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে উল্লেখ কৰে যে এই কৃতিত্বই বিশ্বমানৰ ঘাইপথ নিৰ্মাণ আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত নতুন বিশ্বমানৰ মাপকাঠী বা উপমান নিৰ্ধাৰণৰ প্ৰতি দেশৰ দায়বদ্ধতাক অধিক দৃঢ় কৰিছে।

০০০০০

সমগ্ৰ দেশৰ স্থানীয় শিল্প নৈপুণ্যতাক উদগনি যোগোৱা আৰু দীৰ্ঘস্থায়ী জীৱিকাৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰত ভাৰতীয় ৰে'ল বিভাগৰ **এটা ষ্টেচন-এবিধ সামগ্ৰী** চমুকৈ অ' এছ্ অ' পি আঁচনি গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। ৰে'ল মন্ত্ৰালয়ে জনোৱা মতে, দুহেজাৰতকৈ অধিক ৰে'ল ষ্টেচনত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে লাভ কৰা প্ৰত্যক্ষ বজাৰে ১ লাখ ৩২ হাজাৰতকৈ অধিক শিল্পী, শিপিনী আৰু ক্ষুদ্ৰ ব্যৱসায়ীক লাভান্বিত কৰিছে। মন্ত্ৰালয়ে লগতে কয়, যে বাণিজ্যিক সংস্কৃতিৰ সৈতে একত্ৰিত কৰি ৰে'ল বিভাগে ষ্টেচনসমূহক স্থানীয় উদ্যোগ কেন্দ্ৰলৈ পৰিৱৰ্তিত কৰিছে। **এটা ষ্টেচন-এবিধ সামগ্ৰী** উদ্যমে সম্প্ৰদায়সমূহৰ সৱলীকৰণ আৰু দেশৰ চহকী পৰম্পৰাগত হস্তশিল্পৰ সংৰক্ষণৰ জৰিয়তে ভোকেল ফৰ লোকেল দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে। স্থানীয় ঐতিহ্যক ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ সৈতে সংযোজিত কৰাৰ ফলত যাত্ৰীসকলে সু-অভিজ্ঞতা লাভ কৰাৰ লগতে ই সমন্বিত অৰ্থনৈতিক বিকাশতো অৰিহনা যোগাইছে। এই আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ বাঁহেৰে নিৰ্মিত সামগ্ৰী আৰু হস্তনিৰ্মিত মৃৎশিল্প, মচলাজাতীয় সামগ্ৰী আদিকে ধৰি দেশৰ কোনো কোনো অঞ্চলত বিশেষভাৱে নিৰ্মিত সামগ্ৰীসমূহে ব্যাপক প্ৰসাৰ লাভতো সমৰ্থ হৈছে।

০০০০০

নিৰ্বাচন আয়োগে নতুন দিল্লীত আজি আৰম্ভ হ'বলগীয়া **গণতন্ত্ৰ আৰু নিৰ্বাচন পৰিচালনা** শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলন ২০২৬ৰ অধ্যক্ষতা কৰিব। তিনিদিনীয়াকৈ আয়োজিত এই সন্মিলন গণতন্ত্ৰ আৰু নিৰ্বাচন পৰিচালনাৰ ক্ষেত্ৰত ভাৰতে আয়োজন কৰা সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় সন্মিলন হ'ব। ৭০ খন দেশৰ প্ৰায় ১০০ গৰাকী প্ৰতিনিধিয়ে আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব। নিৰ্বাচনী কাম-কাজ পৰিচালনা খণ্ডৰ ভালেমান আন্তঃৰাষ্ট্ৰীয় সংস্থা, ভাৰতত চলাই থকা বিদেশী বিভিন্ন অভিযানকাৰীৰ লগতে বিশেষজ্ঞসকলেও এই সন্মিলনত অংশগ্ৰহণ কৰিব। নিৰ্বাচন আয়োগে এই সন্মিলনত বিভিন্ন নিৰ্বাচন পৰিচালনা নিকায়ৰ সৈতে ৪০ খনতকৈও অধিক দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০০

কামাখ্যা, গুৱাহাটী আৰু হাওৰাৰ মাজত প্ৰথমবাৰৰ বাবে বন্দে ভাৰত শ্লিপাৰ ৰে'লৰ বাণিজ্যিক চলাচল আৰম্ভ হোৱাৰ পাছতে যাত্ৰীৰ পৰা বিপুল সঁহাৰি লাভ কৰিছে। ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি টিকেটৰ সংৰক্ষণ মুকলি কৰি দিয়াৰ কেইঘণ্টামানৰ ভিতৰতে সকলোবিলাক আসনৰে টিকট বিক্ৰী হয়। টিকেটৰ এই খৰতকীয়া বিক্ৰীয়ে বন্দে ভাৰত ৰে'লৰ গতি, আৰামদায়ক তথা আধুনিক সা-সুবিধা আদি যাত্ৰীসকলে উপভোগ কৰিবৰ বাবে আগ্ৰহী হৈ উঠাৰ কথাকে প্ৰতিফলিত কৰে। যোৱা সপ্তাহত প্ৰধানমন্ত্ৰীয়ে এই ৰে'ল যাত্ৰাৰ শুভাৰম্ভ কৰিছিল। ৰে'লখনে কামাখ্যাৰ পৰা কাইলৈ প্ৰথমটো বাণিজ্যিক চলাচল আৰম্ভ কৰিব আৰু অহা শুকুৰবাৰে হাওৰাৰ পৰা উভতনি যাত্ৰা কৰিব।

০০০০০

চৰকাৰে মৰাপাটৰ কলৰ বাবে কেঁচা মৰাপাট মজুতকৰণৰ সীমা বা পৰিমাণ বৃদ্ধি কৰাৰ বিপৰীতে ব্যৱসায়ী আৰু পাটৰ মুঠা বন্ধা ব্যৱসায়ীসকলৰ বাবে অনুমোদিত মজুতকৰণৰ সীমা হ্ৰাস কৰিছে।

এই ব্যৱস্থাৰ উদ্দেশ্য হৈছে কল তথা MSME অৰ্থাৎ ক্ষুদ্ৰ,লঘু আৰু মজলীয়া উদ্যোগৰ বাবে কেঁচা পাটৰ উপলব্ধতা বৃদ্ধি কৰাৰ লগতে পাটৰ শ্ৰমিক আৰু কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰা। এই সন্দৰ্ভত শীঘ্ৰে অধিসূচনা জাৰি কৰা হ'ব।

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কালি নতুন দিল্লীত মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়া আৰু মৰাপাট আয়ুক্তৰ কাৰ্যালয়ৰ সৈতে কেঁচা মৰাপাটৰ বৰ্ধিত দামৰ বিষয়টো পৰ্যালোচনা কৰে। শ্ৰী সিঙে মৰাপাটৰ কল আৰু MSMEৰ বাবে উদ্যোগৰ মসৃণ কাম-কাজৰ স্বাৰ্থত কেঁচা মৰাপাটৰ পৰ্যাপ্ত উপলব্ধতা নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

মন্ত্ৰীগৰাকীয়ে মৰাপাট আয়ুক্তক অনুমোদিত পৰিমাণতকৈ অধিক সামগ্ৰী জমা ৰখাসকলক ধৰা পেলাই সেইসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। শ্ৰী সিঙে কয় যে, কেঁচা মৰাপাটৰ বৰ্ধিত দামৰ সমস্যাৰ সন্মুখীন হোৱাত সহায় কৰিবলৈকেই চৰকাৰে যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত মৰাপাটৰ বেগৰ ক্ৰয় মূল্য ৭৪ টকাৰ পৰা ৮৭ টকাৰ অধিকলৈ বৃদ্ধি কৰিছিল। এনে পদক্ষেপসমূহে মৰাপাট খেতিয়ক আৰু শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি কৰ্ণাটক ভ্ৰমণ কৰিব। তেওঁ তামাকুৰুৰ শ্ৰীসিদ্দাগংগা মঠত আয়োজিত শ্ৰী শিৱকুমাৰা মহাস্বামীজীৰ সপ্তম সোঁৱৰণী দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বেংগালুৰুৰ চি এম আৰ প্ৰযুক্তি প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন অনুষ্ঠানতো অংশগ্ৰহণ কৰাৰ কথা।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাত খেলখন আৰম্ভ হ'ব।

অহা মাহত অনুষ্ঠিত হ'বলগীয়া আইচিচি পুৰুষ টি-২০ বিশ্বকাপৰ প্ৰস্তুতিৰ অংশ হিচাপে সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন মেন ইন ব্লুৰ বাবে এই শৃংখলা অতি গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে।

ইপিনে, আলহী দলটোৰ বিৰুদ্ধে শৃংখলাৰ প্ৰথমখন টি-২০ৰ প্ৰাকক্ষণত অধিনায়ক সূৰ্যকুমাৰে নিশ্চিত কৰিছে যে - বিশ্বকাপৰ বাবে ঘোষণা কৰা দলত স্থান লাভ কৰা ঈশান কিষানেই ৩ নং ক্ৰমত বেটিং কৰিব।

ooooo

ভাৰতৰ অনমোল খৰব আৰু আকৰ্ষি কাশ্যপ ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ মূল পৰ্যায়ত প্ৰৱেশ কৰিছে। অনমোলে কালি ইস্তোৰা চেনায়ানত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত কানাডাৰ ৰেন য়ু ঝাঙক ২১-১৮, ২০-২২, ২১-১৯ গেমত পৰাস্ত কৰে। একেদৰে, আকৰ্ষিয়ে ভাৰতৰে আন এগৰাকী খেলুৱৈ ঈযাৰাণী বৰুৱাক ২১-১৩, ২১-১৭ গেমত পৰাভূত কৰি মূল পৰ্যায়ত স্থান নিশ্চিত কৰে।

ooooo

৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতা আজি অসমত আৰম্ভ হ'ব। এইবাৰ সপ্তমবাৰৰ বাবে অসমত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১২টা দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ছটা ছটাকৈ দুটা গোটত ভাগ কৰা, পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত